**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 14-12-2025
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

**::::::::::::::::::::::::::::::::::::::::::::**

১। ভাৰত আৰু জৰ্দানৰ মাজৰ কূটনৈতিক সম্পৰ্কৰ ৭৫ বছৰ সম্পূৰ্ণ হোৱাৰ সৈতে সংগতি ৰাখি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী দুদিনীয়া ভ্ৰমণসূচীৰে কাইলৈ জৰ্দানলৈ ৰাওনা হ'ব।

২। আজি ৰাষ্ট্ৰীয় শক্তি সংৰক্ষণ দিৱস। অসমে শক্তি সক্ষমতা খণ্ডত উৎকৃষ্ট প্ৰদৰ্শনৰ বাবে কেইখনমান ৰাজ্যৰ ভিতৰত শ্ৰেষ্ঠ ৰাজ্যৰ স্বীকৃতি লাভ কৰিছে।

৩। উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে নতুন দিল্লীত সম্ৰাট পেৰুম্বিডুগু মুথাৰায়াৰ দ্বিতীয় ছুভাৰান মাৰাণৰ স্মৃতিত এটা ডাক টিকট মুকলি কৰে।

৪। ইহুদীসকলৰ হানুকাহ উৎসৱৰ প্ৰথম দিনটো উদযাপন কৰা লোকসকলক লক্ষ্য কৰি অষ্ট্ৰেলিয়াৰ বন্দী তীৰত সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণক প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তীব্ৰ গৰিহণা দিছে। ***আৰু***

৫। ধৰমশালাত অনুষ্ঠিত ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ টি-২০ ক্ৰিকেট শৃংখলাৰ তৃতীয়খন খেলত ভাৰতে টছত জিকি দক্ষিণ আফ্ৰিকাক প্ৰথমে বেট ধৰাৰ বাবে আমন্ত্ৰণ জনাইছে।

০০০০

জৰ্দানৰ ৰজা আব্দুলা দ্বিতীয় বিন অল হুছেইনৰ আমন্ত্ৰণ মৰ্মে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী দুদিনীয়া ভ্ৰমণসূচীৰে কাইলৈ জৰ্দানলৈ ৰাওনা হ'ব। ভাৰত আৰু জৰ্দানৰ মাজৰ কূটনৈতিক সম্পৰ্কৰ ৭৫ বছৰ পূৰ হোৱাৰ সৈতে সংগতি ৰাখি কাইলৈ প্ৰধানমন্ত্ৰী মোদীৰ দুদিনীয়া জৰ্দান ভ্ৰমণসূচী আৰম্ভ হ'ব। প্ৰধানমন্ত্ৰীৰ এই ভ্ৰমণে দয়োখন দেশৰ মাজত ফছ্ফেট ইন্ধনৰ পৰা আৰম্ভ কৰি গভীৰ সাংস্কৃতিক সম্পৰ্কলৈকে ভালেমান বিষয়ত সহযোগিতা অধিক শক্তিশালী কৰি তুলিব বুলি আশা কৰা হৈছে। জৰ্দানত প্ৰায় ১৭ হাজাৰ ৫০০ ভাৰতীয় লোকে বাস কৰি আছে। এই লোকসকলক ইতিমধ্যে হাছেমাইট ৰাজ্যৰ অৰ্থনীতি আৰু সমাজৰ অবিচ্ছদ্য অংগ হৈ উঠিছে। জৰ্দানত থকা ভাৰতীয় ৰাষ্ট্ৰদূত মনিষ চৌহানে কাইলৈ আৰম্ভ হবলগীয়া শ্ৰীমোদীৰ এই ভ্ৰমণক বাণিজ্য, খাদ্য সুৰক্ষা আৰু জনসাধাৰণৰ মাজৰ পাৰস্পৰিক সম্পৰ্কৰ ক্ষেত্ৰত সময়ৰ দিশৰ পৰা মাইলৰ খুটি বুলি অভিহিত কৰিছে।

উল্লেখযোগ্য যে, জৰ্দানে ভাৰতৰ কৃষিখণ্ডত বিশেষ ভূমিকা পালন কৰা সাৰ, বিশেষকৈ ফছ্ফেট আৰু পটাছৰ যোগান ধৰে। ভাৰত আৰু জৰ্দানৰ যুটীয়া সহযোগিতাৰে স্থাপন কৰা জৰ্দান ইণ্ডিয়া ফাৰ্টিলাইজাৰ কোম্পানী, আই এফ এফ চি অ' আৰু জৰ্দান ফছ্ফেট খনিজ কোম্পানী প্ৰতিষ্ঠা কৰা হৈছিল। এই প্ৰতিষ্ঠানে ভাৰতলৈ ফছ্ফৰিক এচিড যোগান ধৰি ভাৰতত খাদ্য সুৰক্ষাৰ দিশটো শক্তিশালী কৰি তুলিছে। একেদৰে ১৫টা ভাৰতীয় মূলৰ বস্ত্ৰ উদ্যোগে জৰ্দানত নিজৰ উৎপাদিত সামগ্ৰীৰ বজাৰ গঢ়ি তুলিছে। অ'মান আৰু মুম্বাইৰ মাজত মুকলি কৰা পোনপটীয়া বিমান সেৱাই দুয়োখন দেশৰ মাজত যোগাযোগ উন্নত কৰি তুলিছে। তদুপৰি জৰ্দানে ভাৰতীয়

যাত্ৰীসকললৈ ইলেকট্ৰনিক ভিছাৰ সুবিধাও আগবঢ়াইছে। এই ভিছাৰ জৰিয়তে ব্যৱসায় আৰু পৰ্যটনৰ ক্ষেত্ৰখন সম্প্ৰসাৰিত হোৱাৰ সম্ভাৱনা আছে।

০০০০

অসমে শক্তি সক্ষমতা খণ্ডত উৎকৃষ্ট প্ৰদৰ্শনৰ বাবে কেইখনমান ৰাজ্যৰ ভিতৰত শ্ৰেষ্ঠ ৰাজ্যৰ স্বীকৃতি লাভ কৰিছে। ৰাষ্ট্ৰীয় শক্তি সংৰক্ষণ দিৱস উপলক্ষে আজি নতুন দিল্লীত আয়োজিত এটা অনুষ্ঠানত কেইবাখনো ৰাজ্যক শক্তিখণ্ডত দেখুওৱা উৎকৃষ্টতাৰ বাবে বঁটা প্ৰদান কৰা হয়। শক্তি সক্ষমতা শিতানত উৎকৃষ্ট প্ৰদৰ্শন কৰা ৰাজ্যৰ প্ৰথম গোটত কৰ্ণাটকে শীৰ্ষস্থান লাভ কৰে। দ্বিতীয় গোটত অন্ধ্ৰ প্ৰদেশে প্ৰথম স্থান লাভ কৰাৰ বিপৰীতে তৃতীয় গোটত কেৰালাই শীৰ্ষ স্থান লাভ কৰে। চতুৰ্থ গোটত অসমে শীৰ্ষ স্থান লাভ কৰাৰ লগতে পঞ্চম গোটত চণ্ডীগড়ে প্ৰথম স্থান লাভ কৰে।

শক্তি সংৰক্ষণৰ প্ৰয়োজনীয়তাৰ ক্ষেত্ৰত সজাগতা সৃষ্টিৰ লগতে দেশৰ শক্তিখণ্ডৰ সামৰ্থ তথা এই ক্ষেত্ৰত লাভ কৰা সফলতাৰ বিষয়টো অনুধাৱন কৰাৰ উদ্দেশ্যে এই দিৱস উদযাপন কৰা হয়। ৰাষ্ট্ৰীয় শক্তি সংৰক্ষণ দিৱসৰ সৈতে সংগতি ৰাখি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ২০২৫ বৰ্ষৰ ৰাষ্ট্ৰীয় শক্তি সংৰক্ষণ বঁটা লাভ কৰা আৰু শক্তি সংৰক্ষণৰ বিষয়ক লৈ আয়োজিত ৰাষ্ট্ৰীয় চিত্ৰাংকন প্ৰতিযোগিতাৰ বিজয়ী ব্যক্তিসকলক সম্বৰ্ধনা জনায়। ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে শক্তি সংৰক্ষণ সম্প্ৰতি কেৱল এটা ঐচ্ছিক বিষয়ে হৈ থকা নাই, বৰঞ্চ ই এটা অপৰিহাৰ্য্য বিষয় হিচাপে পৰিগণিত হৈছে। তেওঁ লগতে কয় যে সংৰক্ষণ কৰা শক্তিৰ প্ৰতিটো গোটেই প্ৰকৃতিৰ প্ৰতি দায়বদ্ধতাক প্ৰতিফলিত কৰাৰ লগতে পৰৱৰ্তী প্ৰজন্মসমূহৰ ভৱিষ্যতৰ প্ৰতি দায়িত্ব তথা সংবেদনশীলতাক প্ৰতিফলিত কৰে।

ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে লগতে কয় যে শক্তি সংৰক্ষণৰ ক্ষেত্ৰত ভাৰতে  গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। অনুষ্ঠানত কেন্দ্ৰীয় শক্তিমন্ত্ৰী মনোহৰ লালে ৰাষ্ট্ৰীয় শক্তি সংৰক্ষণ বঁটা প্ৰাপকসকলক শুভেচ্ছা জনাই কয়, যে এই অনুষ্ঠানৰ জৰিয়তে দেশৰ পৰিৱেশ সংৰক্ষণ আৰু উন্নয়নৰ সমান্তৰাল প্ৰগতি পৰিলক্ষিত হৈছে। তেওঁ লগতে শক্তি সংৰক্ষণ ২০২৫ সন্দৰ্ভত আয়োজন কৰা ৰাষ্ট্ৰীয় পৰ্যায়ৰপ চিত্ৰাংকন প্ৰতিযোগিতাত বিজয়ীসকলকো শুভেচ্ছা জনায়। এই প্ৰতিযোগিতাত দেশৰ এক লাখ ১০ হাজাৰ বিদ্যালয়ৰ ৮৩ লাখতকৈও অধিক শিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰা বুলি তেওঁ জানিবলৈ দিয়ে।

০০০০

উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে নতুন দিল্লীত সম্ৰাট পেৰুম্বিডুগু মুথাৰায়াৰ দ্বিতীয় ছুভাৰান মাৰাণৰ স্মৃতিত এটা ডাক টিকট মুকলি কৰে। এই উপলক্ষে দিয়া ভাষণত শ্ৰী ৰাধাকৃষ্ণণে তামিল ভাষা-সংস্কৃতিলৈ চৰকাৰৰ নিৰন্তৰ সমৰ্থনক প্ৰশংসা কৰে। উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে কাশি তামিল সংগমমকে ধৰি বিভিন্ন পদক্ষেপৰ প্ৰসংগ উল্লেখ কৰি তামিল ৰজা, নেতা আৰু স্বাধীনতা যুঁজাৰুসকলক সন্মান তথা স্বীকৃতি প্ৰদানৰ বাবে চৰকাৰে গ্ৰহণ কৰা প্ৰচেষ্টাৰ সলাগ লয়। উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে লগতে কয়, যে সম্ৰাট পেৰুম্বিডুগু মুথাৰায়াৰ স্মৃতিত ডাক টিকট মুকলি কৰাটো এনে প্ৰচেষ্টাৰে অংশ স্বৰূপ।

বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে ৰাজ্যখনৰ উপ-সভাপতি হৰিবংশৰ লগতে তথ্য আৰু সম্প্ৰচাৰ ৰাজ্য মন্ত্ৰী ড০ এল মুৰুগান এই অনুষ্ঠানত উপস্থিত থাকিব।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ইহুদীসকলৰ হানুকাহ উৎসৱৰ প্ৰথম দিনটো উদযাপন কৰা লোকসকলক লক্ষ্য কৰি অষ্ট্ৰেলিয়াৰ বন্দী তীৰত সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণক তীব্ৰ গৰিহণা দিছে। সামাজিক মাধ্যম যোগে দিয়া এটা পোষ্টত প্ৰধানমন্ত্ৰীয়ে নিহতসকলৰ পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰে। এই শোকৰ সময়ত ভাৰত অষ্ট্ৰেলিয়াৰ জনসাধাৰণৰ সৈতে আছে বুলি তেওঁ মন্তব্য কৰে। শ্ৰী মোদীয়ে লগতে কয়, যে ভাৰতে সন্ত্ৰাসবাদৰ প্ৰতি শূন্য সহনশালতীৰ নীতি সমৰ্থন জনাই আহিছে আৰু সন্ত্ৰাসবাদৰ সকলো ধৰণ তথা প্ৰকাশৰ বিৰুদ্ধে ভাৰত সদায় থিয় হ'ব।

বিদেশ মন্ত্ৰী ড০ এছ জয়শংকৰেও এই আক্ৰমণক গৰিহণা দিছে।

০০০০

অষ্ট্ৰেলিয়াৰ ছিডনীৰ বন্দী তীৰত আজি সংঘটিত এটা সন্ত্ৰাসবাদী আক্ৰমণত এজন বন্দুকধাৰীকে ধৰি কমেও ১২ জন লোক নিহত হয়। এই আক্ৰমণত জৰিয়ত আন এজন বন্দুকধাৰী সম্প্ৰতি আৰক্ষীৰ জিম্মাত সংকটজনক অৱস্থাত আছে। এই ঘটনাত দুজন আৰক্ষী বিষয়াকে ধৰি ২৯ জন লোক আঘাতপ্ৰাপ্ত হয়। দেশখনৰ প্ৰধানমন্ত্ৰী এন্থনী আলবানীজে ঘটনাটোক দুখজনক বুলি অভিহিত কৰিছে। ইজৰাইৰ বিদেশ মন্ত্ৰী গীডিয়ন ছাৰে এই ঘটনাটো তেওঁক স্তম্ভিত কৰি তোলা বুলি উল্লেখ কৰি ইয়াক যোৱা দুটা বছৰত অষ্ট্ৰেলিয়াৰ ৰাজপথত ইহুদী বিৰোধী কাৰ্যসূচীৰ পৰিণাম বুলি উল্লেখ কৰে।

০০০০

উত্তৰ-পূৰ্বাঞ্চল উন্নয়ন মন্ত্ৰী জ্যোতিৰাদিত্য সিন্দিয়াই এখন ইংৰাজী দৈনিক কাকতত লিখা এটা প্ৰবন্ধ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি সামাজিক মাধ্যমত শ্বেয়াৰ কৰে। প্ৰধানমন্ত্ৰীয়ে প্ৰবন্ধটোত  নাগালেণ্ডৰ হৰ্ণবিল উৎসৱক মানৱীয় ভাৱণাৰ বহুৰূপী প্ৰকাশ বুলি অভিহিত কৰাৰ লগতে ইয়াক অতীত আৰু বৰ্তমানৰ সমন্বয় বুলি উল্লেখ কৰিছে। উত্তৰ-পূৰ্বাঞ্চল উন্নত হ'লেহে সমগ্ৰ দেশ বিকশিত হ'ব বুলি শ্ৰী মোদীয়ে দোহাৰে। উত্তৰ-পূৰ্বাঞ্চলৰ অৰ্থনৈতিক আৰু  মানৱীয় সামৰ্থক উলিয়াই আনি দেশৰ উন্নয়নৰ যাত্ৰাত অঞ্চলটোক সন্মুখত স্থান দিয়াটো প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সপোন বুলি শ্ৰী সিন্দিয়াই উল্লেখ কৰে। সামাজিক মাধ্যমযোগে নিজৰ প্ৰবন্ধটো শ্বেয়াৰ কৰি শ্ৰী সিন্ধিয়াই কয়, যে নাগালেণ্ডৰ হৰ্ণবিল উৎসৱে এই পৰিৱৰ্তনক এটা সাংস্কৃতিক কণ্ঠত পৰিণত কৰিছে আৰু পৰিচয়ৰ আধাৰত হোৱা বিকাশ অধিক শক্তিশালী বুলি প্ৰমাণ কৰিছে।

০০০০

কেন্দ্ৰীয় বিত্ত ৰাজ্য মন্ত্ৰী তথা সাতবাৰকৈ সাংসদৰূপে নিৰ্বাচিত হোৱা পংকজ চৌধাৰী উত্তৰ প্ৰদেশ বিজেপিৰ সভাপতি হিচাপে নিৰ্বাচিত হৈছে। আজি লক্ষ্ণৌত কেন্দ্ৰীয় মন্ত্ৰী তথা বিজেপিৰ নিৰ্বাচনৰ দায়িত্বত থকা পীয়ুষ গোৱেলে এই কথা আনুষ্ঠানিকভাৱে ঘোষণা কৰে। ৰাজ্যিক সভাপতিৰ লগতে বিজেপিয়ে উত্তৰ প্ৰদেশৰ পৰা ৰাষ্ট্ৰীয় পৰিষদলৈ সদস্য বাচনিৰ বাবেও নিৰ্বাচন অনুষ্ঠিত কৰে। ৰাজনাথ সিং, যোগী আদিত্যনাথ, কেশৱ প্ৰসাদ মৌৰ্য, ভূপেন্দ্ৰ চৌধৰী, স্মৃতি ইৰাণীকে ধৰি ১২০ গৰাকী নতুন সদস্য নিৰ্বাচন কৰা হয়।

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে উত্তৰ প্ৰদেশ বিজেপিৰ সভাপতি হিচাপে নিৰ্বাচিত হোৱাৰ বাবে পংকজ চৌধাৰীক অভিনন্দন জনাইছে। সামাজিক মাধ্যমৰ এটা পোষ্টত শ্ৰী সিঙে কয়, যে সাতবাৰকৈ সাংসদৰূপে নিৰ্বাচিত হোৱা শ্ৰী চৌধাৰী দলৰ প্ৰতি দায়বদ্ধ আৰু নিয়মানুৱৰ্তী কৰ্মী হিচাপে পৰিচিত। শ্ৰী চৌধাৰীৰ দীঘলীয়া ৰাজনৈতিক

অভিজ্ঞতা আৰু দক্ষতাপন্ন কামকাজে দলটোক ৰাজ্যখনক অধিক শক্তিশালী কৰি তুলিব বুলি তেওঁ আশা প্ৰকাশ কৰে।

০০০০

বিজেপিয়ে আজি ভোটাৰ তালিকাৰ বিশেষ ব্যাপক পুনৰীক্ষণ প্ৰক্ৰিয়াক লৈ কংগ্ৰেছ দলে বিভ্ৰান্তিৰ সৃষ্টি কৰা বুলি অভিযোগ তুলিছে। নতুন দিল্লীত এখন সংবাদ মেল সম্বোধন কৰি দলটোৰ মুখপাত্ৰ সন্দীপ পাত্ৰই কয়, যে সংসদত নিৰ্বাচনী সংস্কাৰৰ বিষয়ে ইতিমধ্যে ব্যাপক আলোচনা হৈছে। তেওঁ কয়, যে এই আলোচনা কালত গৃহমন্ত্ৰী অমিত শ্বাহে বিৰোধীৰ আটাইবোৰ প্ৰশ্নৰে উত্তৰ দিছে। ভাৰতীয় গণতন্ত্ৰৰ শক্তি সকলোৱে ভালদৰে বুজি পায় বুলি উল্লেখ কৰি শ্ৰী পাত্ৰই কয়, যে কংগ্ৰেছে সাংবিধানিক অনুষ্ঠানক অসন্মান কৰা বুলি দাবী কৰিছে। উল্লেখযোগ্য যে কংগ্ৰেছ দলে আজি দিল্লীৰ ৰামলীলা মৈদানত নিৰ্বাচন বিষয়ক এখন সভাৰ আয়োজন কৰিছে। কংগ্ৰেছ সভাপতি মল্লিকাৰ্জুন খাৰ্গে আৰু ৰাহুল গান্ধীকে ধৰি কেইবাগৰাকীও জ্যেষ্ঠ নেতাই এই সভাত অংশগ্ৰহণ কৰাৰ সম্ভাৱনা আছে।

০০০০

ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ চলিত পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ আজি তৃতীয়খন খেল ধৰমশালাৰ হিমাচল প্ৰদেশ ক্ৰিকেট এছ'চিয়েচন ষ্টেডিয়ামত অনুষ্ঠিত হৈছে। ভাৰতে টছত জিকি দক্ষিণ আফ্ৰিকাক প্ৰথমে বেট ধৰাৰ বাবে আমন্ত্ৰণ জনাইছে। বাতৰি যুগুতোৱাৰ পৰলৈকে দক্ষিণ আফ্ৰিকাই তিনি অভাৰত দুটা উইকেট হেৰুৱাই ৩ ৰান সংগ্ৰহ কৰিছে।

পাঁচখনীয়া এই শৃংখলাত দুয়োটা দলে বৰ্তমান ১-১ত সমতা স্থাপন কৰি আছে। শৃংখলাৰ চতুৰ্থখন খেল অহা বুধবাৰে লক্ষ্ণৌত আৰু পঞ্চম তথা অন্তিম খেলখন অহা শুকুৰবাৰে আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত অনুষ্ঠিত হ'ব।

০০০০

ঃঃ সমাপ্ত ঃঃ